**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 05-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিল্লীত ১২ হাজাৰ ২০০ কোটি টকাৰো অধিক পুঁজি ব্যয়ৰে নিৰ্মিত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিব।

২।	অসম চৰকাৰে উদ্যোগীক অংশীদাৰ ফিক্কিৰ সহযোগত কাইলৈ মুম্বাইত এটা বিশেষ ৰোড শ্ব'ৰ আয়োজন কৰিছে।

৩।	আমেৰিকাৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা জেক ছুলিভানে আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হ'ব।

৪।	পাকিস্তানৰ বেলুছিচস্তানত নিৰাপত্তা বাহিনীক লক্ষ্য কৰি হোৱা এটা বোমা বিস্ফোৰণত ৮ জন নিৰাপত্তাৰক্ষী নিহত হোৱাৰ লগতে ৪০ জনতকৈও অধিক লোক আহত হৈছে। ***আৰু***

৫।	চিডনীত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলৰ আজি তৃতীয় দিনা ভাৰতে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ১৬২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিল্লীত ১২ হাজাৰ ২০০ কোটি টকাৰো অধিক পুঁজি ব্যয়ৰে নিৰ্মিত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে প্ৰায় ৪ হাজাৰ ৬০০ কোটি টকা ব্যয়ৰে নিৰ্মিত দিল্লী-গাজিয়াবাদ-মীৰাট নমো ভাৰত কৰিড'ৰেৰে চাহিবাবাদ আৰু নিউ অশোক নগৰৰ মাজৰ ১৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'ল পথছোৱা মুকলি কৰিব। শ্ৰী মোদীয়ে তেওঁ চাহিবাবাদ ষ্টেচনৰ পৰা নিউ অশোক নগৰ ষ্টেচনলৈ নমো ভাৰত ৰে'ল যোগে যাত্ৰাও কৰিব। দিল্লী মেট্ৰ'ৰ ৪ নম্বৰ ফেজৰ ২ দশমিক ৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ জনকপুৰী আৰু কৃষ্ণপাৰ্কৰ মাজৰ ৰে'ল পথছোৱাও শ্ৰী মোদীয়ে উদ্বোধন কৰিব। এই নতুন পথছোৱাৰ জৰিয়তে পশ্চিম দিল্লীৰ কৃষ্ণপাৰ্ক, বিকাশপুৰীৰ কিছু এলেকা জনকপুৰী আৰু অন্যান্য অঞ্চলৰ লোকসকলো উপকৃত হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াৰ লগতে দিল্লী মেট্ৰ'ৰ এই এলেকাতে ২৬ দশমিক ৫ কিলোমাৰ দৈৰ্ঘ্যৰ ৰিথালা-কুণ্ডলী খণ্ডৰ প্ৰায় ৬ হেজাৰ ২৩০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগা ৰে'লপথৰ আধাৰশিলা স্থাপন কৰিব। এই ক'ৰিড'ৰে দিল্লীৰ ৰিথালাৰ সৈতে হাৰিয়ানাৰ নাথপুৰক সংযোজিত কৰিব। নতুন দিল্লীৰ ৰোহিনীত থকা কেন্দ্ৰীয় আয়ুৰ্বেদ গৱেষণা প্ৰতিষ্ঠানৰ নতুন ষ্টেট অব দ্যা আৰ্ট ভৱনৰো প্ৰধানমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিব। এই চৌহদে চিকিৎসা আন্তঃগাঁথনিৰ লগতে উন্নত স্বাস্থ্যসেৱা আগবঢ়াব। এই প্ৰকল্পসমূহৰ উদ্বোধনে দিল্লীৰ বিভিন্ন অঞ্চলৰ ৰাইজৰ যোগাযোগ আৰু পৰিবহণ সূচল কৰি তুলিব।

০০০০০

অসম চৰকাৰে উদ্যোগীক অংশীদাৰ ফিক্কিৰ সহযোগত কাইলৈ মুম্বাইত এটা বিশেষ ৰোড শ্ব'ৰ আয়োজন কৰিছে। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত ৰাজ্যখনত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ এডভাণ্টেজ আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি শীৰ্ষ সন্মিলন ২০২৫ৰ এটি পূৰ্বভাষৰূপে এই ৰোড শ্ব'ৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ৰোড শ্ব'ৰ নেতৃত্ব দিব। ইয়াত ১৯ দশমিক ১ শতাংশ জি এছ ডি পি বৃদ্ধিৰ সৈতে ২০২৪ বিত্তীয় বৰ্ষত ৰাজ্যখনৰ উল্লেখযোগ্য অৰ্থনৈতিক বিকাশ প্ৰদৰ্শন কৰাৰ লগতে ভাৰতত বিনিয়োগ আৰু আন্তঃগাঁথনি উন্নয়নৰ দিশত ৰাজ্যখনে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰাৰ বিষয়েও আলোকপাত কৰা হ'ব। মুখ্যমন্ত্ৰী শ্ৰী শৰ্মাই লগতে টাটা গোট লাৰ্ছেন এণ্ড টাৰ্বো, মহিন্দ্ৰা গোট আৰু আদানী এয়াৰপোৰ্টৰ দৰে  বিশিষ্ট উদ্যোগপতি আৰু উদ্যোগজগতৰ অন্যান্য নেতাসকলৰ সৈতে আলোচনাত মিলিত হ'ব। ইয়াৰ উপৰি ছান ফাৰ্মা, এইচ দি এফ চি বেংক, লক্ষ্মী টি, H U L, ৱেলস্পুন গ্ৰুপ আৰু আন আন অনুষ্ঠানৰ নেতাসকলকৰ সৈতে অসমত কৌশলগত বিনিয়োগৰ বাবে উপায় বিচাৰি আলোচনা কৰিব। সমাগত দ্বিতীয় পৰ্যায়ৰ এডভাণ্টেজ অসম শীৰ্ষ সন্মিলনৰ বিষয়ে উল্লেখ কৰি ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ভাৰতৰ অৰ্থনৈতিক বিকাশ গাঁথাত অসমে গুৰুত্বপূৰ্ণ অৰদান আগবঢ়াব। ৰাজ্য চৰকাৰে অনুকূল ব্যৱসায়িক পৰিৱেশ গঢ়ি তোলাৰ বাবে অবিৰতভাৱে চলোৱা প্ৰচেষ্টাৰ ফলপ্ৰসূ ৰূপ লাহে লাহে পৰিলক্ষিত হৈছে বুলিও তেওঁ মন্তব্য কৰে। তেওঁ লগতে এডভাণ্টেজ অসমৰ পূৰ্বে মুম্বাইত আয়োজিত এই ৰোড শ্ব'ই অসমৰ অৰ্থনৈতিক ৰূপান্তৰৰ যাত্ৰাত দেশৰ উদ্যোগ জগতৰ নেতৃবৰ্গক আমন্ত্ৰণ কৰাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব বুলি মত প্ৰকাশ কৰে।

০০০০০

কালি ম্যানমাৰৰ স্বাধীনতা দিৱস উপলক্ষে দেশখনৰ সামৰিক চৰকাৰে ক্ষমাদান ব্যৱস্থাৰ অংশস্বৰূপে ১৮০জন বিদেশী লোককে ধৰি প্ৰায় ৬ হাজাৰ কয়দীক মুকলি কৰি দিব৷ ইয়াৰ উপৰি গণ ক্ষমাদান ব্যৱস্থাৰ অংশ হিচাপে অন্যান্য কয়দীৰ শাস্তিও হ্ৰাস কৰা হৈছে৷ এই কয়দীকলক  দোষী সাব্যস্ত কৰাৰ কাৰণ নাইবা মুক্তিৰ পাছত স্বদেশলৈ পঠিয়াবলগীয়া বিভিন্ন দেশৰ কয়দীসকল কোন ৰাষ্ট্ৰৰ সেই বিষয়ে সেনাই সবিশেষ তথ্য দিয়া নাই৷ মানৱীয় দৃষ্টিভংগী আৰু সহানুভূতিৰে এই ক্ষমাদানৰ সিদ্ধান্ত লোৱা বুলি সেনাবাহিনীৰ সূত্ৰই প্ৰকাশ কৰে৷ উল্লেখযোগ্য যে ম্যানমাৰৰ জুণ্টাত এতিয়াও কাৰাগাৰত বন্দী হৈ থকাসকলৰ ভিতৰত দেশখনৰ প্ৰাক্তন নেত্ৰী,নোবেল বঁটাৰে সন্মানিত আং ছান ছ্যু কীও আছে৷

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা জেক ছুলিভানে আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হ'ব। তেওঁ ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভালৰ সৈতে বিভিন্ন বিষয় লৈ আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই ভাৰত প্ৰশান্ত মহাসাগৰীয় বিষয়ৰ উপৰি নিৰাপত্তা বিষয়ক আলোচনাৰ লগতে মহাকাশ প্ৰতিৰক্ষা আৰু কৌশলগত প্ৰযুক্তি সহযোগিতা সন্দৰ্ভত আলোচনা কৰিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণকালত আমেৰিকাৰ  নিৰাপত্তা উপদেষ্টাগৰাকীয়ে ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰ  আৰু অন্যান্য নেতাসকলক সাক্ষাৎ কৰিব। তেওঁ দিল্লীত থকা ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানতো

ভুমুকি মাৰিব। তাত তেওঁ ভাৰতীয় যুৱ উদ্যমীসকলক লগ কৰিব। আই চি ই টিৰ অধীনত দুয়োখন দেশৰ যুটীয়া উদ্ভাৱনক শক্তিশালী কৰিব বিচৰা প্ৰয়াস সন্দৰ্ভতো তেওঁ যুৱ উদ্যমীসকলৰ আগত দাঙি ধৰিব। উল্লেখযোগ্য যে, অহা ২০ জানুৱাৰীত ৰাষ্ট্ৰপতি জ'বাইডেনে কাৰ্যভাৰ ত্যাগ আৰু ৪৭ সংখ্যক আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰূপে ডোনাল্ড ট্ৰাম্পে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পূৰ্বে শ্ৰী ছুলিভানৰ এই ভাৰত ভ্ৰমণে তাৎপৰ্য বহন কৰিছে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ্ জয়শংকৰেও শেহতীয়াকৈ ৱাশ্বিংটন ভ্ৰমণলৈ যোৱাৰ লগতে শ্ৰী ছুলিভানক সাক্ষাৎ কৰিছিল।

০০০০০

পাকিস্তানৰ বেলুচিস্তানৰ তুৰবাটৰ ধাং অঞ্চলত যাত্ৰীবাহী বাহন আৰু আৰক্ষীৰ বাহনক লক্ষ্য কৰি কৰা এটা আত্মঘাতী বোমা বিস্ফোৰণত কমেও ৮ জন নিৰাপত্তাৰক্ষীৰ মৃত্যু হোৱাৰ লগতে ৪০ জনতকৈ অধিক লোক আহত হৈছে। বিচ্ছিন্নতাবাদী সংগঠন বেলুচ লিবাৰেচন আৰ্মীয়ে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে । এখন যাত্ৰীবাহী বাহন আৰু তাৰ কাষতে থকা আৰক্ষীৰ নিৰাপত্ত বাহনখনৰ ওচৰত বিস্ফোৰণৰ প্ৰবল শব্দ শুনা যায়। যাত্ৰীবাহী বাহনখনত থকা লোক সকলৰ অধিকাংশই নিৰাপত্তাৰক্ষী বিষয়া আছিল বুলি পাছত জানিব পৰা যায়। আত্মঘাতী বিস্ফোৰণৰ পিছত আৰক্ষী আৰু নিৰাপত্তা বাহিনীয়ে বিস্ফোৰণস্থলীত উপস্থিত হৈ অঞ্চলটো ঘেৰি ধৰে। উদ্ধাৰকাৰী দলে আহত আৰু মৃতসকলক স্থানীয় চিকিৎসালয়লৈ লৈ যায় আৰু পিছত তেওঁলোকে হতাহতিৰ সংখ্যা নিশ্চিত কৰে । চিকিৎসালয়লৈ অনা আহতসকলৰ অধিকাংশৰে অৱস্থা সংকটজনক বুলি আৰক্ষী সুত্ৰই প্ৰকাশ কৰিছে। এটা বিবৃতিত বেলুচ লিবেৰেচন আৰ্মীৰ মজিদ ব্ৰিগেড গোটে কালি দখলদাৰী পাকিস্তানী সেনাৰ তুৰবাটৰ কনভয়ৰ ওপৰত আত্মঘাতী আক্ৰমণ চলাই কেইবাজনো সামৰিক জোৱানক হত্যা কৰে। শেহতীয়াকৈ বেলুচিস্তানত বিএলএই সামৰিক কনভয়, নিৰাপত্তা চকী আৰু আৰক্ষীৰ বাহনক লক্ষ্য কৰি ধাৰাবাহিক আক্ৰমণ চলাই আছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি তামিলনাডুত আধ্যাত্মিক গুৰু তথা ঈছা ফাউণ্ডেছনৰ প্ৰতিষ্ঠাপক সদগুৰু জ'গগী বাসুদেৱক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে আধ্যাত্মিক গুৰুগৰাকীক সাক্ষাৎ কৰি তেওঁ আনন্দ অনুভৱ কৰিছে। শ্ৰী সদগুৰুৱে ভাৰতীয় আধ্যাত্মিকতাৰ প্ৰচাৰৰ লগতে সমাজ সংস্কাৰৰ বাবে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। সদগুৰু জ'গগী বাসুদেৱেও কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীক লগ পাই আনন্দ অনুভৱ কৰা বুলি প্ৰকাশ কৰিছে।

পৰিৱেশ সংৰক্ষণ আৰু জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত গ্ৰীণ হেণ্ডছ প্ৰকল্প, ৰেলী ফ'ৰ ৰিভাৰ্ছ আৰু জাৰ্নী টু ছেভ ছ'ইল আদি বিভিন্ন পদক্ষেপেৰে শ্ৰী সদগুৰুৱে সমাজৰ প্ৰতি বিশেষ অৱিহণা আগবঢ়াইছে। তেওঁৰ এই অৱিহণাৰ বাবে ২০১৭ চনত ভাৰত চৰকাৰে পদ্ম বিভূষণ সন্মানেৰে সন্মানিত কৰিছিল।

০০০০০

উত্তৰ প্ৰদেশ চৰকাৰে স্পেইনৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাত  মহাকুম্ভ মেলা ২০২৫ৰ প্ৰচাৰ কৰিব। মহাকুম্ভ মেলা মানৱতাৰ সাংস্কৃতিক ঐতিহ্য বুলি তুলি ধৰাৰ লগতে ইয়াৰ আধ্যাত্মিক, ঐতিহাসিক আৰু সাংস্কৃতিক দিশসমূহতো আলোকপাত কৰা হ'ব। উত্তৰ প্ৰদেশ চৰকাৰৰ পৰ্যটন বিভাগে মাদ্ৰিদত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাত মহাকুম্ভৰ সবিশেষ তুলি ধৰিবলৈ আঁচনি প্ৰস্তুত কৰিছে। এই অনুষ্ঠানৰ অভিজ্ঞতা আহৰণ কৰিবলৈ আৰু উত্তৰ প্ৰদেশৰ অন্যান্য পৰ্যটন ক্ষেত্ৰ তথা ৰাজ্যখনৰ বিশেষ আকৰ্ষণসমূহৰ বিষয়ে সবিশেষ জনাবলৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকক আমন্ত্ৰণ জনোৱা হ'ব। এই উপলক্ষে আয়োজক দেশ, চুবুৰীয়া দেশ আৰু বিভিন্ন পৰ্যটন ক্ষেত্ৰৰ প্ৰতিনিধিৰ লগতে ট্যুৰ অপাৰেটসকলৰ সৈতেও যোগাযোগ কৰা হ'ব।

০০০০০

চিডনীত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলৰ আজি তৃতীয় দিনা ভাৰতে অষ্ট্ৰেলিয়াক  জয়ৰ বাবে ১৬২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। কালি ৬টা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৪১ ৰানৰ পৰা আজি পুৱা ভাৰতে খেল আৰম্ভ কৰি কেৱল ১৬ ৰানহে যোগ দিবলৈ সমৰ্থ হয়। আলহী দলটোৱে আটাইকেইটা উইকেট হেৰুৱাই ১৫৭ ৰান সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ হৈ শ্বট বোলান্দে ৬টা আৰু অধিনায়ক পেট কামিন্সে ৩টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে কালি অষ্ট্ৰেলিয়াই আটাইকেইটা উইকেট হেৰুৱাই কেলৰ ১৮১ ৰান কৰি ভাৰতৰ প্ৰথম ইনিংছৰ ১৮৫ ৰানৰ প্ৰায় কাষ চাপিবলৈ সমৰ্থ হৈছিল। ভাৰতৰ হৈ মহম্মদ ছিৰাজ আৰু প্ৰচিধ কৃষ্ণাই ৩টাকৈ আৰু অধিনায়ক যশপ্ৰীত বুমৰা আৰু নীতিশ কুমাৰে ২ টাকৈ উইকেট দখল কৰে।

০০০০০

সমাপ্ত